# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-09-2024
**Time :** 1845 Hrs

## *Assamese Evening Bulletin*
### *HEADLINES*

**- - - - - - - - - - - - - - -**

১। জাতি-মাটি-ভেটি ৰক্ষাৰ চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২। কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী ৫ বছৰত চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ৫ হাজাৰ চাইবাৰ কমাণ্ডোক প্ৰশিক্ষণ প্ৰদান কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ ঘোষণা।

৩। ৰাজ্যৰ জিলাসমূহৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্বৰ সালসলনি।

৪। ভাৰত আৰু বাংলাদেশৰ মাজত হ'বলগীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অসম ক্ৰিকেট সংস্থাৰ উপ-সভাপতি ৰাজদ্বীপ ওজাক নিৰীক্ষক হিচাপে নিযুক্তি। **আৰু**

৫। উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা আৰু জুনিয়ৰ ছোৱালীৰ শাখাত অসমৰ শ্বাটলাৰৰ খিতাপ অৰ্জন।

ooooo

ৰাজ্য চৰকাৰে বিগত ৩ বছৰত জাতি-মাটি-ভেটি ৰক্ষাৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে আৰু ভূমি, সম্পদ তথা সংস্কৃতি সুৰক্ষিত নোহোৱালৈকে এই প্ৰচেষ্টা অব্যাহত ৰাখিব। এনে প্ৰচেষ্টাৰ অংশ হিচাপে চৰকাৰে অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ শৰ্মা আয়োগে আগবঢ়োৱা পৰামৰ্শাৱলী ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিক পঞ্জীৰ বাবে আবেদন জনোৱাসকলৰ নামত আধাৰ কাৰ্ড জাৰি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইয়াৰ উপৰি থলুৱা সম্প্ৰদায়সমূহৰ ভূমিৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে ৰাজ্যত জনজাতীয় বেষ্টনী আৰু খণ্ড গঠন কৰাৰ বাবে বিশেষ বিধেয়ক যুগুতোৱাৰ ব্যৱস্থা কৰা হৈছে। কঠোৰ শাস্তিৰ জৰিয়তে লাভ জেহাদ সমস্যাৰ সন্মুখীন হোৱাৰ বাবেও এখন বিধেয়ক যুগুত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ooooo

কেন্দ্ৰীয় চৰকাৰে পৰৱৰ্তী ৫ বছৰত চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে ৫ হাজাৰ চাইবাৰ কমাণ্ডোক প্ৰশিক্ষণ প্ৰদান কৰিব। আজি নতুন দিল্লীত চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ আই ফ'ৰ চিৰ প্ৰথম প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, চাইবাৰ সুৰক্ষা ৰাষ্ট্ৰীয় সুৰক্ষাৰ দিশত বৃহৎ প্ৰত্যাহ্বানৰূপে পৰিগণিত হৈছে আৰু ইয়াৰ অবিহনে দেশৰ প্ৰগতিৰ কথা কল্পনা কৰিব নোৱাৰি। শ্ৰী শ্বাহে কয় যে, চাইবাৰ অপৰাধৰ কোনো সীমা নাই আৰু ইয়াক ৰোধ কৰাৰ বাবে সকলো পক্ষৰ সহায়-সহযোগিতাৰ প্ৰয়োজন। দেশৰ বিভিন্ন ক্ষেত্ৰত ইণ্টাৰনেট সেৱাৰ বৰ্ধিত

ব্যৱহাৰৰ বিষয়ে আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয় যে, প্ৰতিদিনে দেশত ডিজিটেল লেনদেন আৰু ডিজিটেল তথ্যৰ ব্যৱহাৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত চাইবাৰ সুৰক্ষাৰ সৈতে জড়িত লোকসকলৰ দায়িত্বও বৃদ্ধি পাইছে। শেহতীয়াকৈ কাৰ্যকৰী হোৱা ৩ খন নতুন ফৌজদাৰী আইনত চাইবাৰ অপৰাধৰ প্ৰত্যাহ্বান ৰোধ কৰাৰ বাবে পৰ্যাপ্ত ব্যৱস্থা ৰখা হৈছে বুলি তেওঁ উল্লেখ কৰে। চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই চাইবাৰ সুৰক্ষা সন্দৰ্ভত সজাগতা সৃষ্টিৰ বাবে ৰাষ্ট্ৰজোৰা অভিযান আৰম্ভ কৰাৰ লগতে সকলো ৰাজ্য চৰকাৰক এই অভিযানত অংশ ল'বলৈ আহ্বান জনাইছে। আজিৰ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে চাইবাৰ অপৰাধ ৰোধ কৰাৰ বাবে এটা ৱেব আধাৰিত ম'ডুল মুকলি কৰে। ইয়াৰ সহায়ত চাইবাৰ অপৰাধৰ তথ্য সংগ্ৰহ, বিনিময়, অপৰাধৰ মেপিং, তথ্য বিশ্লেষণ ইত্যাদি কৰিব পৰা যাব।

০০০০০

অসমৰ ৰাজ্যপালে ৰাজ্যখনৰ ১৪ গৰাকী মন্ত্ৰীক বিভিন্ন জিলাৰ অভিভাৱক মন্ত্ৰীৰ সালসলনি কৰা হৈছে। এই অনুসৰি ৰণজিৎ কুমাৰ দাসক কৰিমগঞ্জ, ধুবুৰী আৰু বঙাইগাঁও, অতুল বৰাক কামৰূপ মহানগৰ আৰু নলবাৰী, উৰ্খাও গৌৰা ব্ৰহ্মক কোকৰাঝাৰ আৰু চিৰাং জিলাৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। একেদৰে অশোক সিংঘলক গোৱালপাৰা আৰু বিশ্বনাথ, কেশৱ মহন্তক মৰিগাঁও, দৰং আৰু দক্ষিণ শালমাৰা, অজন্তা নেওগক যোৰহাট আৰু নগাঁও, চন্দ্ৰমোহন পাটোৱাৰীক কামৰূপ, বৰপেটা আৰু বজালী জিলাৰ দায়িত্ব দিয়া হৈছে। ইপিনে মন্ত্ৰী ৰণোজ পেগুক শিৱসাগৰ, লখিমপুৰ, মাজুলী, সঞ্জয় কিষাণক গোলাঘাট, ডিমা হাছাও, পীযূষ হাজৰিকাক শোণিতপুৰ, ওদালগুৰি, হোজাই আৰু যোগেন মহনক ডিব্ৰুগড় আৰু ধেমাজি জিলাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। একেদৰে মন্ত্ৰী বিমল বৰাক তিনিচুকীয়া আৰু চৰাইদেউ, জয়ন্ত মল্লবৰুৱাক কাছাৰ, হাইলাকান্দি, বাক্সা, তামুলপুৰ আৰু নন্দিতা গাৰ্লোচাক কাৰ্বি আংলং আৰু পশ্চিম কাৰ্বি আংলঙৰ অভিভাৱক মন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰা হৈছে।

০০০০০

জ্ঞানপীঠ সন্মানপ্ৰাপক যশস্বী কবি, সমালোচক, শিক্ষাবিদ নীলমণি ফুকনৰ জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধা নিবেদন কৰা হয়। কবিতাৰ ভাষাৰে অ' মোৰ সপোনৰ সূৰ্যৰ মানুহ বুলি সম্বোধন কৰি সময়ৰ আহ্বান আৰু মানৱীয়তাৰ প্ৰমূল্যক চকু মেলি চাবলৈ শিকোৱা কবিগৰাকীৰ ১৯৩৩ চনৰ আজিৰ দিনটোতে গোলাঘাট জিলাৰ দেৰগাঁৱত জন্ম হৈছিল। ১৯৮১ চনত কবিতা শীৰ্ষক স্বনিৰ্বাচিত কাব্যগ্ৰন্থৰ বাবে সাহিত্য একাডেমী বঁটাৰে সন্মানিত কবিগৰাকীক ১৯৯০ চনত কেন্দ্ৰীয় চৰকাৰে পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰে। ১৯৯৭ চনত অসম উপত্যকা সাহিত্য বঁটা আৰু ২০০২ চনত তেওঁ সাহিত্য একাডেমী ফালৰ পৰা শ্ৰেষ্ঠ সাহিত্যিক সন্মান, সাহিত্য একাডেমী ফেল' প্ৰদান কৰা হয়। ২০২০ বৰ্ষৰ বাবে আগবঢ়োৱা জ্ঞানপীঠ বঁটা ২০২১ বৰ্ষত কবিগৰাকীলৈ আগবঢ়োৱা হয়। মুখ্যমন্ত্ৰীয়ে হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে কবিগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰি কয় যে, তেওঁৰ সৃষ্টি আৰু দৃষ্টিয়ে জনসাধাৰণক যুগে যুগে আলোকিত কৰি ৰাখিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জন্মদিন উপলক্ষে কাব্যশিল্পৰ নিপুণ খনিকৰগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰি কয় যে, কাব্য সৃষ্টিৰ উপৰি শিল্পকলা সম্পৰ্কীয় গভীৰ অন্তৰ দৃষ্টি সম্পন্ন ৰচনাৰাজীৰে তেওঁ জাতিটোক অমূল্য সম্পদ আগবঢ়াই গৈছে।

০০০০০

অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ হৈ অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদে আজিৰে পৰা দুদিনীয়াকৈ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাজ্যিক সমাৰোহৰ আয়োজন কৰিছে।

এই সমাৰোহে ছাত্ৰ-ছাত্ৰীৰ মাজত বিজ্ঞান অধ্যয়নৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ লগতে উদ্ভাৱনীমূলক চিন্তাৰ বিকাশ তথা শিক্ষাৰ্থীসকলক নতুন জ্ঞান আৰু অভিজ্ঞতাৰে সমৃদ্ধ কৰিব বুলি শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগুৱে আহ্বান জনাইছে। এই কাৰ্যসূচী ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰে। সমাৰোহৰ কাৰ্যসূচীৰ অংশ হিচাপে বিজ্ঞানভিত্তিক আকস্মিক বক্তৃতা প্ৰতিযোগিতা, পোষ্টাৰ অংকন, বিজ্ঞান প্ৰযুক্তিৰ আৰ্হি নিৰ্মাণ প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। তদুপৰি বিজ্ঞানী আৰু শিক্ষাৰ্থীৰ মাজত মত বিনিময়, মহাকাশ নিৰীক্ষণ আদিও কাৰ্যসূচীও গ্ৰহণ কৰা হয়।

০০০০০

ৰাজ্যৰ প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত অহা ১৫ ছেপ্তেম্বৰৰ পৰা হ'বলগীয়া তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। নিযুক্তি পৰীক্ষাৰ বাবে কাৰ্বি আংলং জিলাৰ ডিফুত জিলা দুৰ্যোগ প্ৰাধীকৰণ কাৰ্যালয়ত জিলা নিয়ন্ত্ৰণ কক্ষ্য স্থাপন কৰা হৈছে। পৰীক্ষাত নিয়োজিত ব্যক্তিসকলকো প্ৰশিক্ষণ দি থকা হৈছে।

একেদৰে নিযুক্তি পৰীক্ষাসমূহ স্বচ্ছ, নিকা আৰু ত্ৰুটিবিহীন ভাবে অনুষ্ঠিত কৰিবলৈ চৰাইদেউ জিলা প্ৰশাসনে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনত হ'বলগীয়া নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়াৰ তদাৰক তথা নিৰীক্ষণ কৰাৰ বাবে ৰাজ্য চৰকাৰে সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগৰ সচিব ফৰিদা চামছুলক কেন্দ্ৰীয় পৰ্যৱেক্ষক হিচাপে নিয়োজিত কৰা হৈছে।

০০০০০

নৱপ্ৰজন্মৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস শক্তিশালী কৰাৰ বাবে বিটিচি প্ৰশাসনে পুথিভঁৰাল সেৱা বিভাগৰ উদ্যোগত বড়োলেণ্ড পঠন সপ্তাহৰ শুভাৰম্ভ কৰিছে। বিটিচিৰ কাৰ্যবাহী সদস্য ড০ নিলোৎপল স্বৰ্গীয়াৰীয়ে কোকৰাঝাৰ জিলা পুথিভঁৰালত আয়োজিত এটা অনুষ্ঠানত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ পৰিকল্পনামৰ্মে আয়োজিত এই কাৰ্যসূচীত অহা ১৭ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। বিটিআৰৰ ৰাজহুৱা পুথিভঁৰাল আৰু শিক্ষানুষ্ঠানসমূহত এই পঠন সপ্তাহৰ আয়োজন কৰা হৈছে। আজিৰ উদ্বোধনী অনুষ্ঠানত বিটিচিৰ পুথিভঁৰাল বিভাগৰ যুটীয়া সচিবৰ উপৰি কেইবাগৰাকীও প্ৰধানশিক্ষক আৰু অন্যান্য বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

ভাৰত চৰকাৰ উত্তৰ-পূব উন্নয়ন মন্ত্ৰালয়ৰ অধীনৰ কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান উত্তৰ-পূব আঞ্চলিক কৃষি বিপণন নিগমৰ উদ্যোগত গুৱাহাটীৰ নেডফি হাউছত আজিৰে পৰা দুদিনীয়াকৈ ভাৰতত মিলেট উৎপাদনৰ প্ৰচাৰ শীৰ্ষক এটি কাৰ্যসূচী অনুষ্ঠিত হৈছে। কৃষকসকলৰ মাজত মিলেটৰ উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত সজাগতা সৃষ্টি আৰু লাভালাভৰ প্ৰচাৰ কৰাৰ উদ্দেশ্যেৰেই এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত মিলেটৰ উপকাৰিতা, পুষ্টিকৰ গুণ আৰু ইয়াক চাউলৰ বিকল্প হিচাপে ব্যৱহাৰ কৰা দিশসমূহৰ ওপৰত আলোকপাত কৰা হয়। অনুষ্ঠানটোত জনসাধাৰণৰ মাজত  সজাগতা সৃষ্টি আৰু বিক্ৰীৰ বাবে বিপণীত মিলেটৰ সামগ্ৰী প্ৰদৰ্শন কৰা হয়। ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰালয়ে সহযোগিতা কৰা অনুষ্ঠানটোত কৃষক আৰু উদ্যোগীকে ধৰি প্ৰায় ২০০ গৰাকী হিতাধিকাৰীয়ে অংশগ্ৰহণ কৰে।

০০০০০

দেশৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ তৰফৰ পৰা জ্যেষ্ঠ শিল্পীসকললৈ আৰ্থিক সাহায্য আঁচনিৰ অধীনত ৬০ বছৰ উৰ্ধৰ শিল্পীসকলৰ পৰা আবেদনপত্ৰ বিচৰা হৈছে। ৰাজ্যিক, ৰাষ্ট্ৰীয় বঁটা প্ৰাপক অথবা দুৰদৰ্শন

আকাশবাণীৰ স্বীকৃতিপ্ৰাপ্ত শিল্পীসকলে এই আঁচনিৰ বাবে আবেদন দাখিল কৰিব পাৰিব। আবেদনকাৰীৰ আয় প্ৰতিমাহে চাৰি হাজাৰ টকা অথবা বছৰত ৪৮ হাজাৰ টকাৰ অধিক হ'ব নোৱাৰিব। ইচ্ছুক শিল্পীসকলে www.indiaculture.nic.in ৱেবছাইট যোগে আবেদন দাখিল কৰিব পাৰিব। ৰাজ্য চৰকাৰ অথবা সংশ্লিষ্ট মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ অনুমোদন নোহোৱা আৰু অসম্পূৰ্ণ আবেদনপত্ৰ গ্ৰহণ কৰা নহ'ব বুলি সাংস্কৃতিক মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

ৰাজ্যিক শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ উদ্যোগত অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় ৰাজ্যিক বিদ্যালয় মানৰ কৰ্তৃপক্ষৰ বাবে বিদ্যালয়ৰ গুণগত মান মূল্যায়ন আৰু স্বীকৃতি পৰিকাঠামোৰ বিকাশ সন্দৰ্ভত এখন পৰামৰ্শমূলক সভা অনুষ্ঠিত হয়। শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে এই সভাত অংশগ্ৰহণ কৰি চৰকাৰী বিদ্যালয়সমূহত শিক্ষাৰ মান উন্নীত কৰণৰ ক্ষেত্ৰত শিক্ষা বিভাগৰ পদক্ষেপ সন্দৰ্ভত ভাষণ আগবঢ়ায়। শিক্ষা বিভাগে এতিয়ালৈ সাত হাজাৰ ৫০০ গৰাকী গণিত আৰু বিজ্ঞান শিক্ষকক ৰাজ্যখনৰ বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ জৰিয়তে আবাসিক প্ৰশিক্ষণ দি আহিছে। ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে নিৰন্তৰভাৱে শিক্ষকসকলৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰি যাব বুলি তেওঁ প্ৰকাশ কৰে। প্ৰাক প্ৰাথমিকৰ লগতে উচ্চতৰ মাধ্যমিক আৰু চাহ বাগিচা এলেকাত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি হোৱাতো শিক্ষা বিভাগৰ বাবে যোগাত্মক বাৰ্তা বুলি তেওঁ কয়। এই কৰ্মশালাই অনাগত দিনত বিদ্যালয় শিক্ষাৰ মান উন্নত কৰাৰ লগতে বিদ্যালয়সমূহক গ্ৰেডিং পদ্ধতি প্ৰদানৰ চিন্তা-চৰ্চা আৰম্ভ কৰা বুলি তেওঁ সভাত অৱগত কৰে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ অনুসৰি শিক্ষাখণ্ডৰ গুণগহত মান বৃদ্ধিৰ বাবে অসমৰ ভৌগোলিক আন্তঃগাঁথনিগত আৰু আৰ্থসামাজিক প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পৰাকৈ গুণগত মান মূল্যায়ণ আৰু স্বীকৃতি পৰিকাঠামো অনুকূল কৰি তোলা হ'ব।

ooooo

ৰাজ্য চৰকাৰৰ জনকল্যাণকামী আঁচনি আৰু অভিলাসী প্ৰকল্পসমূহৰ ৰূপায়ণৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে কৃষি মন্ত্ৰী অতুল বৰাই আজি হাইলাকান্দিৰ জিলা আয়ুক্ত কাৰ্যালয়ত চৰকাৰী বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকখনত তেওঁ শিক্ষা, স্বাস্থ্য, কৃষি, লোক নিৰ্মাণকে ধৰি জিলাখনৰ ৩৪টা চৰকাৰী বিভাগৰ অধীনস্থ আঁচনিসমূহৰ ৰূপায়ণৰ স্থিতিৰ পৰ্যালোচনা কৰে। লগতে

বিভিন্ন সজাগতামূলক কাৰ্যসূচীৰে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহৰ সুবিধাৰ বিষয়ে ৰাইজক অৱগত কৰি নিৰ্ধাৰিত সময়-সীমাৰ ভিতৰ আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ তেওঁ বিষয়াসকলক নিৰ্দেশ দিয়ে।

০০০০০

ৰাজ্যৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসৰ অধ্যক্ষতাত আজি নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত মন্ত্ৰীগৰাকীৰ অধীনৰ বিভাগসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰা হয়। এই বৈঠকত বিধায়ক ৰূপক শৰ্মা, জিতু গোস্বামী, শশীকান্ত দাস, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ লগতে জিলা পৰিষদৰ বিষয়া আৰু আৰক্ষী বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে।

০০০০০

জিলা আইন সেৱা প্ৰাধীকৰণৰ সৌজন্যত আজি মাজুলীত সাংবাদিক সন্থাৰ বিষয়ববীয়াসকলৰ উপস্থিতিত নতুন অপৰাধমূলক আইন সন্দৰ্ভত সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মৰ ওপৰত বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আইন  ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আইনে অনা পৰিৱৰ্তন, প্ৰচলিত আইনৰ বাতিল কৰা ধাৰা আৰু নতুন প্ৰৱৰ্তন কৰাৰ বিষয়েও সভাত আলোকপাত কৰা হয়। ইয়াৰ লগতে নতুন আইন কেইখনৰ বিভিন্ন দিশসমূহৰ বিষয়ে দৃশ্য শ্ৰব্য মাধ্যমেৰে সভাত উপস্থাপন কৰা হয়।

০০০০০

বিধায়ক ভূবন গামে আজি মাজুলীৰ কমলাবাৰী সত্ৰৰ সমীপত প্ৰথমটো চৰকাৰী দত্তক গ্ৰহণ কেন্দ্ৰ আজি আনুষ্ঠানিক ভাবে মুকলি কৰে। কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু কল্যাণ মন্ত্ৰ্যালয়ৰ অধীনত ৰাজ্যিক শিশু সুৰক্ষা আয়োগৰ নিৰ্দেশনাত নিপীড়িত আৰু বঞ্চিত শিশুসকলক নিৰাপত্তা আৰু প্ৰতিপালনৰ বাবে এই কেন্দ্ৰটো মুকলি কৰা হৈছে। মাজুলীৰ শিশুসকলৰ সুৰক্ষাৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

সদৌ অসম শৰৎ চন্দ্ৰ গোস্বামী স্মাৰক ২৪ সংখ্যক আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা আজি গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হয়। **নাৰীবাদী আন্দোলনত পুৰুষৰ সক্ৰিয় অংশগ্ৰহণৰ দ্বাৰাহে লিংগ সমতা ৰক্ষা কৰাটো সম্ভৱ** শীৰ্ষক বিষয়ত আয়োজিত এই প্ৰতিযোগিতাত উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো মহাবিদ্যায়ৰ ২০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কটন বিশ্ববিদ্যালয় আৰু দৰং কলেজক প্ৰথম আৰু দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে ঘোষণা কৰা হয়। আনহাতে কটন বিশ্ববিদ্যালয়ৰ অভিপ্সা কলিতাই শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে।

০০০০০

কামৰূপ মহানগৰ জিলাত বিশেষ কাৰণত স্থগিত ৰখা শিক্ষক দিৱসৰ কাৰ্যসূচী আজি দিছপুৰৰ লোক নিৰ্মাণ বিভাগৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। জিলাখনৰ সাতগৰাকী কৃতি শিক্ষকক এই অনুষ্ঠানত গামোচা, মানপত্ৰ আৰু শৰাইৰে সম্বৰ্ধনা জনোৱা হয়, লগতে গুণোৎসৱত ভাল ফলাফল প্ৰদৰ্শন কৰা শিক্ষাখণ্ড সমূহকো প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত জিলাখনৰ ভালে সংখ্যক শিক্ষক শিক্ষয়িত্ৰী উপস্থিত থাকে।

০০০০০

অসম ক্ৰিকেট সংস্থাৰ উপ-সভাপতি ৰাজদ্বীপ ওজাক ভাৰত আৰু বাংলাদেশৰ মাজত হ'বলগীয়া প্ৰথম টেষ্ট ক্ৰিকেট শৃংখলাত এজন নিৰীক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত ১৯ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ খেলখন অনুষ্ঠিত হ'ব।

০০০০০

উত্তৰ-পূব মণ্ডল আন্তঃৰাজ্যিক বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলা আৰু জুনিয়ৰ ছোৱালীৰ শাখাত অসমৰ ময়ূৰী বৰ্মন আৰু শান্তিপ্ৰীয়া হাজৰিকাই খিতাপ অৰ্জন কৰিছে। গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ কনকলতা ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত  প্ৰতিযোগিতাখনৰ মহিলাৰ শাখাৰ ফাইনেলত ময়ূৰীয়ে ছুজেন বুঢ়াগোহাঁইক হৰুৱাই স্বৰ্ণ পদক লাভ কৰে। মহিলাৰ ডাবলছত ময়ূৰী বৰ্মন আৰু মনালী বৰাৰ যুটীয়ে সোণৰ পদক লাভ কৰে। অসম বেডমিণ্টন সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখনৰ ছিনিয়ৰ আৰু জুনিয়ৰ মিক্সড ডাবলছতো অসমৰ খ্বাটলাৰে ছেম্পিয়ন ট্ৰফী অৰ্জন কৰে। সংগ্ৰাম চুতীয়া আৰু মনালী বৰাৰ যুটীয়ে নাগালেণ্ডৰ প্ৰতিযোগিক পৰাস্ত কৰি খিতাপ অৰ্জন কৰে। জুনিয়ৰ মিক্সড ডাবলছৰ ফাইনেলত অসমৰ শুভংকৰ দত্ত আৰু ভাৰিষ্যা চাংমাৰ যুটীয়ে মণিপুৰৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি সোণৰ পদক লাভ কৰে। ইপিনে ল'ৰাৰ ডাবলছৰ ফাইনেলত অসমৰ আলবিৰ আমন আৰু ৰিতু প্ৰতীম বৰাই ৰূপৰ পদক লাভ কৰে।

০০০০০

সমাপ্ত